# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

যোৱা নিশা দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ শেষকৃত্য কাইলৈ দিনৰ প্ৰায় এঘাৰ বাজি ৪৫ মিনিটত নতুন দিল্লীৰ নিগমবোধ ঘাটত ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হ'ব। গৃহ মন্ত্ৰালয়ে এই কথা প্ৰকাশ কৰিছে। কাইলৈ পুৱা চাৰে ন বজাত  নতুন দিল্লীত থকা কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ৰ পৰা নেতাগৰাকীৰ অন্তিম যাত্ৰা আৰম্ভ হ'ব। পুৱাৰ ভাগত প্ৰয়াত মনমোহন সিঙৰ পাৰ্থিৱ দেহ কংগ্ৰেছ কাৰ্যালয়ৰ পৰা লৈ যোৱা হ'ব আৰু তাত জনসাধাৰণ তথা দলীয় কৰ্মীসকলে নেতাগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰিব। নতুন দিল্লীৰ মতিলাল নেহৰু মাৰ্গত থকা বাসগৃহত আজি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে নেতাগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা তৰ্পণ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে  প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰদেহত পুষ্পাৰ্ঘ্য নিবেদন কৰি তেওঁৰ প্ৰতি সন্মান জনায়। প্ৰধানমন্ত্ৰী ড° সিঙৰ বিয়োগত সাতদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী কাৰ্যালয়, গুৰুত্বপূৰ্ণ অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ লগতে বিদেশত থকা ভাৰতীয় দূতাবাসসমূহতো ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব। ইয়াৰ লগতে আমোদ-প্ৰমোদমূলক সকলো চৰকাৰী কাৰ্যসূচীও বন্ধ থাকিব।

ooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত ১২ দিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অসম গ্ৰন্থমেলা-২০২৪ আৰম্ভ হৈছে। শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে আজি বিয়লি গ্ৰন্থমেলাৰ দ্বাৰ মুকলি কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয়, যে অসমীয়া ভাষাৰ এটা স্বকীয় ইতিহাস আছে আৰু ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে এই কথা  প্ৰতিপন্ন কৰিছে। গ্ৰন্থমেলাখনে ৰাজ্যখনত অধ্যয়নৰ সংস্কৃতি গঢ়ি তুলিছে বুলিও তেওঁ মন্তব্য কৰে। অনুষ্ঠানত দিল্লীৰ বিশিষ্ট সাংবাদিক, ইতিহাসবিদ, তথা লেখক হিন্দোল সেন গুপ্তাইও অংশ লয়। সভাৰ আৰম্ভণিতে প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ আত্মাৰ সদগতিৰ বাবে এক মিনিট মৌনতা অৱলম্বন কৰা হয়। আজিৰ উদ্বোধনী অনুষ্ঠানত অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰি উলিওৱা ৪২ খন গ্ৰন্থ উন্মোচন কৰা হয়।

ooooo

পহিলা জানুৱাৰীৰ পৰা পাৰস্পৰিক বদলিকৰণৰ বাবে পোৰ্টেল মুকলি হ'ব। এই পোৰ্টেল পহিলা জানুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ খোলা থাকিব। এই সময়ছোৱাতে আবেদন দাখিল, আবেদনৰ সত্যাসত্য নিৰূপনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব আৰু তাৰ পাছত  আবেদনসমূহ স্বয়ংক্ৰিয়ভাৱে পোৰ্টেলত পাৰস্পৰিক বদলিকৰণৰ বাবে মুকলি কৰি দিয়া হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে  এই কথা

প্ৰকাশ কৰে। তেওঁ কয়, যে এই পোৰ্টেলত আবেদন কৰাৰ পাছত একে বিভাগৰ আৰু একেই পে স্কেলৰ কৰ্মচাৰীৰ মাজত বদলিকৰণৰ প্ৰচেষ্টা কৰা হ'ব। নিকাভাৱে এই প্ৰক্ৰিয়া সম্পন্ন কৰা হব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

অসম আৰক্ষীৰ বিশেষ কাৰ্য বাহিনীয়ে আজি ধুবুৰী জিলাৰ বিলাসীপাৰাৰ বান্ধৰ গাঁৱৰ পৰা ছাহিনুৰ ইছলাম নামৰ এজন যুৱকক জেহাদী সন্দেহত কৰায়ত্ত কৰিছে। বিশেষ কাৰ্যবাহিনীৰ প্ৰঘাত অভিযানৰ অধীনত গ্ৰেপ্তাৰ কৰা ছাহিনুৰৰ পৰা আৰক্ষীয়ে বহু আপত্তিজনক নথি-পত্ৰ জব্দ কৰিছে। ইপিনে, আৰক্ষীয়ে আজি গোপন তথ্যৰ পম খেদি মৰিগাওঁ জিলাৰ ফালিহামাৰী পাম এলেকাৰ পৰা আবুল কালাম হক আৰু মাৰফাজুল ইছলাম নামৰ দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। ধৃত লোক দুজনৰ পৰা এটা দেশত নিৰ্মিত পিষ্টল উদ্ধাৰ কৰা হৈছে।

০০০০০

বন বিভাগে গুৱাহাটীৰ কুমাৰপাৰাত মুক্ত বিচৰণ কৰা নাহৰ ফুটুকী বাঘটোক আজি নিশা প্ৰায় ৮ বজাত সংজ্ঞাহীন কৰিবলৈ সমৰ্থ হয়। অভিজ্ঞ চিকিৎসক প্ৰণৱ দাসে বাঘটোক সংজ্ঞাহীন কৰে। নাহৰ ফুটুকী বাঘটোক পিঞ্জৰাবদ্ধ কৰি ৰাজ্যিক চিৰিয়াখানালৈ লৈ যোৱা হৈছে।

০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি মৰিগাঁৱত ৪৬ সংখ্যক আন্তঃজিলা এথলেটিক্স প্ৰতিযোগিতা উদ্বোধন কৰে। অসম এথলেটিক্স সন্থাৰ উদ্যোগত মৰিগাঁও জিলা ক্ৰীড়া সন্থা আৰু জিলা প্ৰশাসনৰ সহযোগত আয়োজন কৰা এই প্ৰতিযোগিতাত ডেৰ সহস্ৰাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। এই ক্ৰীড়া প্ৰতিযোগিতা মুকলি কৰি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয়, যে এনেধৰণৰ প্ৰতিযোগিতাই স্থানীয় প্ৰতিভাসমূহৰ ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্যায়লৈ আগবাঢ়ি যোৱাত সহায় কৰে। অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচা, স্থানীয় বিধায়ক ৰমাকান্ত দেউৰী প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সমাপ্ত